# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-11-2025
**Time :** 0900 Hrs.

***Assamese Morning Bulletin***

**HEADLINES**

১। দ্বিতীয় এডভাণ্টেজ আছামত স্বাক্ষৰিত বুজাবুজি চুক্তিক বাস্তবায়িতকৰণৰ দিশত শক্তিশালী পদক্ষেপ হিচাপে সৰুসজাইত মুখ্যমন্ত্ৰীৰ তিনিটা বৃহৎ প্ৰকল্পৰ আধাৰশিলা সম্পন্ন।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সংক্ৰান্তত অহা ১৭ ডিচেম্বৰৰ ভিতৰত এছ আই টিৰ অভিযোগ দাখিলৰ সম্ভাৱনা।

৩। ৰাজ্যৰ ১৩ গৰাকী আৰক্ষী বিষয়াৰ কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ দক্ষতা পদক লাভ।

৪। বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা পুনৰ পৰ্যটকৰ বাবে হাতী ছাফাৰী আৰম্ভ।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত আৰু দক্ষিণ আফ্ৰিকা মুখামুখি।

০০০০০০০

দ্বিতীয় এডভাণ্টেজ আছামত স্বাক্ষৰিত বুজাবুজি চুক্তিক বাস্তবায়িতকৰণৰ দিশত শক্তিশালী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সৰুসজাইত তিনিটা বৃহৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যত বিশ্বমানৰ স্বাস্থ্য আৰু আতিথ্যখণ্ডৰ আন্তঃগাঁথনিৰ দিশত বিশেষভাৱে গুৰুত্বপূৰ্ণ এই প্ৰকল্পকেইটা হৈছে গ্লোবেল হেল্‌থ লিমিটেডৰ মেডাণ্টা ছুপাৰ স্পেছিয়েলিটি হাস্পতাল, আৰ জে কৰ্প হেল্‌থ কেয়াৰৰ ক'ক'ন মাদাৰ এণ্ড চাইল্ড কেয়াৰ হাস্পতাল আৰু লেমন ট্ৰি প্ৰিমিয়াৰ পঞ্চতাৰকা হোটেল। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কালিৰ দিনটোক ৰাজ্যৰ ঔদ্যোগিক বিকাশৰ দিশত উল্লেখনীয় দিন বুলি অভিহিত কৰে। যোৱা ফেব্ৰুৱাৰীত অনুষ্ঠিত এডভাণ্টেজ আছামৰ আন্তঃগাঁথনি আৰু বিনিয়োগ সন্মিলনত স্বাক্ষৰিত চুক্তি অনুসৰি প্ৰায় ৮০০ কোটি টকা বিনিয়োগেৰে সৰুসজাইত এই প্ৰকল্প তিনিটা স্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ড° শৰ্মাই স্বাস্থ্য আৰু আতিথ্য খণ্ডত বিনিয়োগেৰে অসমৰ বিকাশৰ দিশত আগবঢ়োৱা সহযোগিতাৰ বাবে আটাইকেইটা গ্ৰুপৰ অধ্যক্ষসকলক অসমবাসীৰ হৈ ধন্যবাদ জনায়।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সংক্ৰান্তত বিশেষ অনুসন্ধানকাৰী গোটৰ তদন্ত সঠিক দিশত আশানুৰূপভাৱে আগবাঢ়িছে আৰু অহা ১৭ ডিচেম্বৰৰ ভিতৰত এছ্ আই টিয়ে অভিযোগনামা দাখিল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীত কালি সন্ধিয়া এটা অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয়, যে জুবিন গাৰ্গক ন্যায় দিবলৈ সমৰ্থ হ'ব বুলি এছ্ আই টিৰ আত্মবিশ্বাস আছে। তেওঁ লগতে ৰাজ্য চৰকাৰে ছিংগাপুৰ কৰ্তৃপক্ষৰ পৰা কালি জুবিন গাৰ্গৰ মৰনোত্তৰ পৰীক্ষাৰ বিস্তৃত প্ৰতিবেদন লাভ কৰিছে বুলি প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ লগতে ছিংগাপুৰ কৰ্তৃপক্ষই শিল্পীগৰাকীৰ টক্সিক'লজি প্ৰতিবেদনো প্ৰেৰণ কৰিছে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

জুবিন গাৰ্গৰ যোৱা ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ পাছত ছিংগাপুৰৰ চিকিৎসালয়তে প্ৰথমটো মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছিল। ইয়াৰ পাছত ২৩ ছেপ্তেম্বৰত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ পূৰ্বে পুনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৰণোত্তৰ পৰীক্ষা কৰা হয়।

০০০০০০০

অসম আৰক্ষীৰ আইন-শৃংখলা বিভাগৰ আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং, আৰক্ষী মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তকে ধৰি ৰাজ্যৰ ১৩ গৰাকী আৰক্ষী বিষয়াই কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ দক্ষতা পদক লাভ কৰিছে। অনুসন্ধান শাখাত উপ-আৰক্ষী অধীক্ষক ফুলকৰ নাৰ্জাৰী, মাধুৰীমা দাস, তদানীন্তন মহকুমা আৰক্ষী বিষয়া প্ৰকাশ সোণোৱাল আৰু উপ-পৰিদৰ্শক উমেশ বৰাই গৃহমন্ত্ৰীৰ দক্ষতা পদক লাভ কৰিছে। একেদৰে বিশেষ অভিযান শাখাত তদানীন্তন অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰণৱ কুমাৰ পেগু, আৰক্ষী অধীক্ষক অনুৰাগ শৰ্মা, অতিৰিক্ত আৰক্ষী অধীক্ষক সত্যেন্দ্ৰ সিং হাজাৰী, পৰিদৰ্শক সৰোজ দলে, শংকৰজ্যোতি নাথ, কপিল পাঠক আৰু বিক্ৰম বসুমতাৰীলৈ গৃহমন্ত্ৰীৰ দক্ষতা পদক আগবঢ়োৱা হৈছে। জেহাদিৰ বিৰুদ্ধে চলোৱা অভিযান আৰু অনুসন্ধানত লাভ কৰা সফলতাৰ বাবে এই আৰক্ষী বিষয়াসকললৈ গৃহমন্ত্ৰীৰ দক্ষতা পদক আগবঢ়োৱা হৈছে। ইপিনে মণিপুৰৰ আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা কৰাৰ বাবে চুবুৰীয়া ৰাজ্যখনৰ আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে অসম আৰক্ষীৰ মহাপৰিদৰ্শক অখেলশ কুমাৰ সিং, বিশেষ আৰক্ষী উপ-মহাপৰিদৰ্শক অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ চৰণদ্বীপ সিং, একাদশ আৰক্ষী বেটেলিয়নৰ অধিনায়ক টাবুৰাম পেগু, লাচিত বৰফুকন পুলিচ একাডেমীৰ অধিনায়ক আব্দুল কাদীৰ আৰিফ, ছামাদ হুছেইন, গৌৰৱ কুমাৰ আগৰৱাল, পাপৰি চেতিয়া আৰু কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তালৈ প্ৰশংসা চিহ্ন আগবঢ়াইছে।

০০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা পুনৰ পৰ্যটকৰ বাবে হাতী ছাফাৰী আৰম্ভ হৈছে। পুৱা চাৰে ৫ বজাত ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক ড০ সোণালী ঘোষে আনুষ্ঠানিকভাৱে হাতী ছাফাৰী মুকলি কৰে। আজি বাগৰি বনাঞ্চলত ১৩২ গৰাকী পৰ্যটকে ৩৩ টা হাতীৰে ৰাষ্ট্ৰীয় উদ্যানখন পৰিদৰ্শন কৰে। কাইলৈ কঁহৰা বনাঞ্চলত জীপ ছাফাৰীৰ লগতে হাতী ছাফাৰী পুনৰ আৰম্ভ কৰা হ'ব।

০০০০০০০

অহা ২৫ নৱেম্বৰত আৰম্ভ হ'বলগীয়া অসম বিধানসভাৰ শীতকালীন অধিৱেশন পাঁচ দিন ধৰি চলিব। অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা উপদেষ্টা সমিতিৰ এখন বৈঠকত কালি এই সিদ্ধান্ত লোৱা হয়। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত উপদেষ্টা সমিতিৰ বৈঠকত বিভিন্ন ৰাজনৈতিক দলৰ বিধায়কসকল উপস্থিত থাকে। বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি অহা ২৫, ২৬, ২৭, ২৮ আৰু ২৯ নৱেম্বৰত শীতকালীন অধিৱেশন চলিব। উল্লেখযোগ্য যে, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া এইবাৰৰ অধিৱেশনত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ উপৰি গুৰুত্বপূৰ্ণ প্ৰতিবেদন দাখিল কৰা হ'ব। ৰাজ্য চৰকাৰে বিধানসভাৰ শীতকালীন অধিৱেশনত লাভ জেহাদ, বহু বিবাহৰ বিৰুদ্ধে বিধেয়ক আৰু সত্ৰৰ সংৰক্ষণ সন্দৰ্ভত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ সিদ্ধান্ত লৈছে। তদুপৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ লগতে নেলী হত্যাকাণ্ডক লৈ গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন বিধানসভাত দাখিল কৰা হ'ব। একেদৰে চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান আৰু অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ বাগিচাৰ শিক্ষাৰ্থীসকলৰ বাবে ৪ খনকৈ আসন সংৰক্ষণ কৰাৰ বাবে বিধানসভাত বিধেয়ক উত্থাপন কৰা হ'ব।

০০০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক নগেন শইকীয়াক আজি অসম সাহিত্য সভাৰ সদসি বৰণ্যেঃ সন্মান প্ৰদান কৰা হ'ব। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ পৌৰাহিত্যত হ'বলগীয়া এই অনুষ্ঠানত ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ ৰামেশ্বৰ লাল চহৰীয়া সংহতি ভৱনত অধ্যাপক নগেন শইকীয়া প্ৰবোধ্য সন্মান সদসি বৰণ্যেঃ প্ৰদান কৰিব। অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ডিব্ৰুগড় জিলা সাহিত্য সভা আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত হ'বলগীয়া অনুষ্ঠানটোত ড° বসন্ত কুমাৰ গোস্বামী, ড° সমুদ্ৰ গুপ্ত কাশ্যপ, ড° পীতাম্বৰ দেৱ গোস্বামী, ড° জিতেন হাজৰিকা, ড° আজিমা ঝা, ড° জ্যোতিপ্ৰসাদ শইকীয়া, ড° অৰূপজ্যোতি চৌধুৰী, ড° মহাদেৱ পাটগিৰি, ড° অজন্তা বৰগোহাঞি ৰাজকোঁৱৰ, ড° জিৎ সিংহানিয়া, ড° হিতেশ ডেকা, ড° নীৰোদ কুমাৰ বৰুৱাকে ধৰি বহুকেইগৰাকী গণ্যমান্য ব্যক্তিৰ উপস্থিতিত স্বনামধন্য সাহিত্যিকগৰাকীলৈ এই বিৰল সন্মান আগবঢ়োৱা হ'ব।

০০০০০০০

ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কালি চৌকিডিংগী খেলপথাৰত সাংসদ খেল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। ডিব্ৰুগড় লোকসভাৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই মহোৎসৱৰ শুভাৰম্ভ কৰে। ভাৰতৰ প্ৰতিগৰাকী যুৱক-যুৱতীক শাৰীৰিকভাৱে উপযুক্তভাৱে গঢ় দিয়া আৰু শক্তিশালী ভাৰত নিৰ্মাণৰ উদ্দেশ্যে চৰকাৰে এই ধৰণৰ পদক্ষেপ লৈ আহিছে বুলি মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰে।

***বাইট ঃ সৰ্বানন্দ সোণোৱাল***

ডিব্ৰুগড় ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়াৰ পৌৰাহিত্যত অনুষ্ঠিত শুভাৰম্ভণি অনুষ্ঠানত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ক চক্ৰধৰ গগৈ, তেৰশ গোৱালা, সুৰেন ফুকন, সঞ্জয় ফুকন, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ, উপ মেয়ৰ উজ্জ্বল ফুকন আৰু ভাৰতীয় জনতা পাৰ্টিৰ বহু সংখ্যক বিষয়ববীয়া তথা কৰ্মীসকল উপস্থিত থাকে।

০০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সন্থাৰ উদ্যোগত লখিমপুৰ কমাৰ্চ কলেজৰ স্পোৰ্টছ্ কমপ্লেক্সত ভাষা সাহিত্য সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে আজিৰে পৰা ১০ দিনীয়াকৈ অসম গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। আজি বিয়লি শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰনোজ পেগুৱে গ্ৰন্থমেলাখন উদ্বোধন কৰিব। পশ্চিমবংগৰ বিশিষ্ট সাহিত্যিক বিনোদ ঘোষাল বিশেষ অতিথিৰূপে উপস্থিত থাকিব। উদ্বোধনী সভাত বিধায়ক মানব ডেকা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডং অৰূপজ্যোতি চৌধুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডং বিভাস চৌধুৰী আৰু লখিমপুৰৰ জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি উপস্থিত থাকিব। গ্ৰন্থমেলাৰ দিনকেইটাত ভাষা সাহিত্য, সংস্কৃতি, ইতিহাস আদি ভিন্ন বিষয় সামৰি আলোচনাচক্ৰ অনুষ্ঠিত হ'ব।

ooooooo

স্বেচ্ছাসেৱী সংগঠন ছ'চিয়েল ডেভলপমেণ্ট ফ'ৰামৰ উদ্যোগত গোলাঘাটৰ দেওপাহাৰ সংৰক্ষিত বনাঞ্চলৰ সমীপত আৰু সতী সাধনী কলাক্ষেত্ৰত অনুষ্ঠিত দ্বিতীয় শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক সন্মিলনৰ কালি শুভাৰম্ভ কৰা হয়। এই সন্মিলনত সমাজ সংস্কাৰক হিচাপে শংকৰদেৱৰ কৰ্মাৱলীক মূল বিষয় হিচাপে লৈ জলবায়ু পৰিৱৰ্তন, যুৱ আৰু পৰ্যটন উন্নয়ন আদি সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।  চাৰিদিনীয়া এই সন্মিলনৰ কালি প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে দেওপাহাৰ বনাঞ্চলৰ বিপৰীতে থকা নুমলীগড় চাহ বাগিচাৰ মাজৰ বাক্সা পাহাৰৰ সেউজীয়াৰ মাজত **জলবায়ু পৰিৱৰ্তন তথা গ্ল'বেল ৱাৰ্মিং** বিষয়ক চিত্ৰাংকণ অনুষ্ঠিত হয়। এই কাৰ্যসূচী মুকলি কৰি প্ৰখ্যাত চিত্ৰশিল্পী ননী বৰপূজাৰীয়ে কয়, যে দেওপাহাৰৰ শৈল ভাস্কৰ্যৰ ভগ্নাৱশেষক সঠিক মঞ্চত তুলি ধৰিব পাৰিলে পৰ্যটন ক্ষেত্ৰত গোলাঘাটৰ নাম দেশে-বিদেশে বিয়পি পৰিব। এই চিত্ৰাংকন কাৰ্যসূচীত স্থানীয় লোকৰ লগতে বিশ্বৰ ১৫ খন দেশৰ পৰা অহা দুকৰিৰো অধিক প্ৰতিনিধি আৰু দেশৰ বিভিন্ন ৰাজ্যৰ দুশৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত স্বেচ্ছাসেৱী সংগঠনটোৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি বৰাই কয়, যে অসমীয়া জাতিটোক গঢ় দিয়া মূল খনিকৰ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক বিশ্ববাসীৰ মাজলৈ লৈ যাবলৈ তেওঁলোকৰ সংগঠনে সদায়ে চেষ্টা কৰি আহিছে।

ooooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ  গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫ৰ পুৰস্কাৰসমূহ কালি প্ৰদান কৰা হয়। অনুষ্ঠানত নিষ্ঠা বৰগোহাঁইক প্ৰথম, দিব্যা আত্ৰেয়ক দ্বিতীয়, অন্বেষা ফুকন আৰু ৰোহিত গাওঁখোৱাক যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়।

প্ৰতিযোগিতাত বিজয়ীসকলৰ সৈতে অন্তৰংগ আলাপেৰে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। তেওঁলোকৰ সৈতে কথা পাতিছে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

ooooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নৱীমুম্বাইৰ ড০ ডি ৱাই পাটিল স্পোৰ্টছ একাডেমীৰ খেলপথাৰত বিয়লি ৩ বজাত আৰম্ভ হ'ব। ভাৰতে যোৱা বৃহস্পতিবাৰে দ্বিতীয়খন ছেমিফাইনেলত অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই গুৱাহাটীত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ১২৫ ৰানত জয় লাভ কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

## *News Paper Review*

লক্ষ লক্ষ অনুৰাগীৰ অধীৰ অপেক্ষাৰ অন্তত জুবিন গাৰ্গৰ ছবি ৰৈ ৰৈ বিনালে কালি মুক্তি লাভ কৰে। দেশৰ ২০৮ টা চিত্ৰগৃহত ৬৬৪ টা দৰ্শনীৰে ছবিখনে একেদিনাই ৪ কোটি টকা উপাৰ্জন কৰে। **অসমীয়া প্ৰতিদিন**, **দি আছাম ট্ৰিবিউন**, **দৈনিক অগ্ৰদূত** কাকতে এই বাতৰিক শীৰ্ষস্থান দিয়াৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক জনমভূমি** কাকতৰ এই বাতৰিৰ শিৰোনাম- জুবিনে কন্দুৱালে। জুবিন গাৰ্গৰ বাবে সংৰক্ষণ কৰি ৰখা আসনৰ দুয়োকাষে পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী পামী বৰঠাকুৰে ছবিখন চোৱাৰ বাতৰি **অসমীয়া খবৰ** কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিয়ে ১৭ ডিচেম্বৰৰ ভিতৰত অভিযোগনামা দাখিল কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰাৰ বাতৰি **দ্য চেণ্টিনেল** কাকতৰ লগতে আন আন কাকতসমূহেও গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে **জুবিনক হত্যাৰ কথা পুনৰ কলে মুখ্যমন্ত্ৰীয়ে** শিৰোনামেৰে এই বাতৰি প্ৰকাশ কৰিছে।

আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, আবৃত্তিকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ ছৈয়দ ছাদুল্লাৰ ডিব্ৰুগড়ত জানাজা সম্পন্ন কৰাৰ বাতৰি **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে। একেটা বাতৰিৰে **দৈনিক অসম** কাকতৰ শিৰোনাম- ৰাজ্যিক মৰ্যদাৰে সংগীত শিল্পী চৈয়দ ছাদুল্লাৰ জানাজা সম্পন্ন।

লক্ষিমপুৰত নাছিং কলেজ উদ্বোধন কৰি অৱহেলিত উত্তৰ অসম এতিয়া সবাতোকৈ বিকশিত অঞ্চল বুলি মুখ্যমন্ত্ৰী ড হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিহাৰ বিধানসভাৰ নিৰ্বাচনী ইস্তাহাৰত ৰাজ্যখনত চাকৰিৰ লগতে বিনামূলীয়া শিক্ষা আৰু আন্তঃগাঁথনিত বিশেষ গুৰুত্ব দিয়া হব বুলি এন ডি এ আৰু ইয়াৰ সহযোগী দলসমূহে প্ৰকাশ কৰাৰ বাতৰি **দ্য টাইমছ অব ইণ্ডিয়া** কাকতে প্ৰকাশ কৰিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ....।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্রা সৰ্বোচ্চ ২৭ ডিগ্রী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্রী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্রদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্রিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**